# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-FEB-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত গুৱাহাটীত নিৰ্বাচন আয়োগৰ দল আৰু ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া, জিলা নিৰ্বাচনী বিষয়াৰ মাজত গুৰুত্বপূৰ্ণ বৈঠক।

২। শ্ৰীভূমি জিলাৰ দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ কয়লা খনি বিস্ফোৰণত সন্ধানহীন হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত।

৪। জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সামৰণি। **আৰু**

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কেৰালাক হৰুৱাই চাৰ্ভিচেছৰ খিতাপ অৰ্জন।

ooooo

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নিৰ্বাচন আয়োগৰ এটা দলে আজি গুৱাহাটীত ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়া তথা জিলা নিৰ্বাচনী বিষয়াসকলৰ সৈতে কেইবালানি আলোচনাত মিলিত হয়। উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটোৱে প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনাত ভাগ লয়। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়াকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয়লৈ আলোচনা কৰে। অহা ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

ooooo

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত আজি প্ৰশাসন আৰু বন বিভাগে উচ্ছেদ অভিযান চলায়। বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান

পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে আজিৰেপৰা উচেচদ অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে। এই সন্দৰ্ভত সবিশেষ জনাইছে শ্ৰীভূমিৰ পৰা আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে-

বাইট

০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতৰ কয়লা খনিত বিস্ফোৰণৰ ফলত সন্ধানহীন হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, বিশেষ উদ্ধাৰকাৰী দল, আৰক্ষী আৰু জিলা প্ৰশাসনৰ কেইবাটাও দলক উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে। উদ্ধাৰ অভিযানৰ সময়ত কালি আৰু দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াকে লৈ বিস্ফোৰণৰ ফলত পাহাৰ খহি পৰাৰ ফলত মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। বিস্ফোৰণৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত খনন স্থানত তন্ন তন্নকৈ তালাচী চলোৱা হৈছে আৰু খনিৰ ভিতৰত যাতে কোনো লোক আবদ্ধ হৈ থকা নাই তাক নিশ্চিত কৰাৰ বাবে আজি পুৱা পুনৰ অভিযান চলোৱা হৈছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ – বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই আজি বৰপেটাৰ বাৰাদিত অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম আৰু একাডেমী উদ্বোধন কৰে। অসম ক্ৰিকেট সন্থাই প্ৰায় ৩৩ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা এই প্ৰকল্পত অনুশীলনৰ বাবে ১০ খন উইকেট ক্ষেত্ৰ আছে। ক্ৰিকেট একাডেমীখনত বৰ্তমান ২৫ জন খেলুৱৈ থাকিব পৰা হোষ্টেলৰ ব্যৱস্থা কৰা হৈছে। অহা ছমাহৰ ভিতৰত ১০০ জন খেলুৱৈ থাকিব পৰা হোষ্টেলৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি বি চি চি আইৰ সচিবগৰাকীয়ে প্ৰকাশ কৰিছে। শ্ৰী শইকীয়াই কয়, যে এই ক্ৰিকেট ষ্টেডিয়ামে খেলুৱৈসকলৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰিব। তেওঁ লগতে অসম ক্ৰিকেট সন্থাই সমগ্ৰ ৰাজ্যতে ছখন একাডেমী নিৰ্মাণৰ পৰিকল্পনা কৰিছে বুলি প্ৰকাশ কৰে।

বাইট

০০০০০

জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। আজি অন্তিম দিনা হাজাৰ হাজাৰ ভকত-বৈষ্ণৱৰ সমাগমে সমগ্ৰ অঞ্চলটোক আধ্যাত্মিক জনসমুদ্ৰলৈ ৰূপান্তৰ কৰে। পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, প্ৰাতঃভ্ৰমণ আৰু নাম প্ৰসংগৰ জৰিয়তে অন্তিম দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ইয়াৰ পাছতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই নৌকা আৰ্হিৰ বেদীত সংঘৰ মূল পতাকা উত্তোলন কৰে। অন্তিম দিনটোৰ আকৰ্ষণীয় কাৰ্যসূচী ভাগৰত যাত্ৰাত হাজাৰ হাজাৰ ভকত-বৈষ্ণৱ, আই মাতৃয়ে অংশগ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰে হংসযানত উঠি শোভাযাত্ৰাত ভাগ লয়। সংঘৰ উপদেষ্টা কমলাকান্ত গগৈয়ে দুপৰীয়া অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে। সংঘৰ পদাধিকাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন সন্দৰ্ভত আয়োজক সমিতিৰ সদস্যই এইদৰে কয়-

(বাইট)

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত তিনিদিনীয়াকৈ বিকশিত ভাৰত শীৰ্ষক সংহত যোগাযোগ আৰু প্ৰচাৰ কাৰ্যসূচীৰ লগতে মাল্টিমিডিয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক এগৰাকী পাকিস্তানী এজেণ্ট বুলি অভিযোগ  কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ নাগৰিক আলি তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই সম্পৰ্কে তেওঁৰ হাতত ভালেমান প্ৰমাণ আছে। অসম আৰক্ষীৰ দ্বাৰা গঠিত এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত চি আই ডিত এই সম্পৰ্কত এটা গোচৰো ৰুজু কৰা হৈছে বুলি তেওঁ কয়। বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি এই প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এছ আই টিৰ প্ৰতিবেদনৰ আধাৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা সময়ছোৱাত সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তান ভ্ৰমণ আৰু পাকিস্তানৰ নাগৰিকৰ সৈতে কৰা যোগাযোগৰ কেতবোৰ গুৰুত্ব পূৰ্ণ তথ্য সংবাদমেলত সদৰি কৰে।

০০০০০

অসম সাহিত্য সভাৰ অন্যতম শতদল শাখা, পাঠশালা সাহিত্য সভাৰ ২০২ সংখ্যক আলোচনা চক্ৰ আজি পাঠশালা সাহিত্য সভাৰ সভাকক্ষত অনুষ্ঠিত হয়। বিশ্ববৰেণ্য শিল্পী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি এই আলোচনা চক্ৰৰ আয়োজন কৰা হয়। পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চক্ৰপানি কলিতা পৰিয়ালৰ সহযোগিতাত আয়োজিত আলোচনা চক্ৰৰ বিষয়বস্তু হৈছে **ড° ভূপেন হাজিৰকাৰ বৌদ্ধিক আৰু সাংস্কৃতিক চেতনাৰ ব্যাপ্তি**। আলোচনাচক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, গৱেষক ড° অখিলৰঞ্জন দত্তই অংশগ্ৰহণ কৰে। বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক পেঞ্চনাৰ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে সঞ্চালনা কৰা আলোচনাচক্ৰত পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকাই ভাষণ দিয়ে।

০০০০০

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত আয়োজিত বাৰ্ষিক সমূহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ আজি সামৰণি পৰে। অনুষ্ঠান উপলক্ষে আজানপীৰ দৰগাহত যথেষ্ট সংখ্যক লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। মুছলমান ধৰ্মাৱলম্বী লোকৰ লগতে আন ধৰ্মৰ লোকেও আজানপীৰৰ দৰগাহত দোৱা আগবঢ়ায়। আজি অনুষ্ঠিত মুকলি সভাত বিধায়ক প্ৰদীপ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুকলি সভাত শিক্ষাবিদ দীপালি চলিহাই সৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ পংকজ জ্যোতি হাজৰিকাই সৰাগুৰি সুবাস নামৰ আন এখন গ্ৰন্থ উন্মোচন কৰে। মুকলি সভাত প্ৰকৃতিপ্ৰেমী অনুপ পাটকাই, ইছলামিক পণ্ডিত অতিকুৰ ৰহমান, নিবন্ধকাৰ আশ্ৰফুল যাচিন হুছেইন উপস্থিত থাকে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডিমা হাচাও জিলাত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ জমা দিবলৈ ডিমা হাচাও জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে। হাফলং বিধানসভা সমষ্টিত শান্তি-শৃংখলা বজাই ৰাখিবলৈ জিলা আয়ুক্তগৰাকীয়ে এই নিৰ্দেশ দিয়ে। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ বাহিৰে সকলো অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০

ঢকুৱাখনা উন্নয়ন খণ্ডৰ অন্তৰ্গত মাটমৰা পঞ্চায়তত আজি বিধায়ক নৱ কুমাৰ দলে এটা অতিথিশালা উদ্বোধন কৰে। ৫০ লাখ টকা ব্যয়েৰে এই অতিথিশালাটো নিৰ্মাণ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ঢকুৱাখনা সম জিলা আয়ুক্ত অপূৰ্ব কুমাৰ নাথ, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ বড়োকে ধৰি মাটমৰা জিলা পৰিষদৰ সদস্যসকল উপস্থিত থাকে।

০০০০০

কালি নিশা  দেহাৱসান ঘটা বিশিষ্ট নাট্যকাৰ তথা নাট্যশিল্পী, কবি, পৰিচালক, ৰফিকুল হোছেইনৰ জানাজা আজি বিয়লি বোকাখাতত সম্পন্ন কৰা হয়। ইয়াৰ পূৰ্বে বোকাখাত নাট্যমন্দিৰত নাট্যশিল্পীগৰাকীৰ নশ্বৰদেহত বহু

গুণমুগ্ধই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নাট্যকাৰ-সাহিত্যিকগৰাকীৰ ঘটে। তেওঁৰ বয়স আছিল ৭২ বছৰ। উচ্চ ৰক্তচাপজনিত ষ্ট্ৰ'কত আক্ৰান্ত হৈ শিল্পী হোছেইন বিগত এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল।

০০০০০

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে জিলাই জিলাই প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। চিৰাং জিলা শিক্ষা বিভাগে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলাখনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষাৰ্থীসকলক পৰীক্ষাগৃহলৈ ম'বাইল ফোন বা আন ইলেক্ট্ৰনিক সামগ্ৰী নিয়াৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ কামত নিয়োজিত লোকৰ বাহিৰে পাঁচজনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব। পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব। উল্লেখযোগ্য যে চিৰাং জিলাৰ ১৩ টা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ১০ টা কেন্দ্ৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ অধীনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যোৱা ৩১ ডিচেম্বৰলৈকে ৩ লাখ ২৩ হাজাৰ ৬৪৫ টা বাসগৃহ নিৰ্মাণ কৰা হৈছে। বিভাগীয় সূত্ৰত প্ৰকাশ পোৱা অনুসৰি কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ অধীনত বাসগৃহ নিৰ্মাণৰ বাবে মোকলাই দিয়া ৫ হাজাৰ ৪৪৩ দশমিক ৯ - ২ কোটি টকাৰ ভিতৰত ৫ হাজাৰ ১২৩ দশমিক ৮ কোটি টকা নিৰ্মাণকাৰ্যত ব্যয় কৰা হৈছে। অসম চৰকাৰৰ বাবে সৰ্বাধিক ১ লাখ ৬৯ হাজাৰ ৬২৬ টা বাসগৃহৰ অনুমোদন দিয়া হৈছিল আৰু ইয়াৰে ১ লাখ ৪৪ হাজাৰ ৫৭ টা বাসগৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

০০০০০

ঢকুৱাখনা আৰু চিলাপথাৰত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত চাৰ্ভিচেছে চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। আজি ঢকুৱাখনাৰ মাতমৰাত থকা বিষ্ণুৰাম দলে ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত ফাইনেলত চাৰ্ভিচেছ দলে কেৰালাক ১-০ গ'লত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত গ'ল শূন্যভাৱে সামৰণি পৰা খেলখনৰ অতিৰিক্ত সময়ৰ ১০৯ মিনিটত চাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে একমাত্ৰ গ'লটো দিয়ে। আজিৰ ফাইনেলত শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু অসম ফুটবল সন্থাৰ সভাপতি নৰকুমাৰ দলেসহ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত ইংলেণ্ডে নেপালক চাৰি ৰানত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৮৪ ৰানৰ লক্ষ্যৰে খেলি নেপালে নিৰ্ধাৰিত অভাৰত ছটা উইকেট হেৰুৱাই ১৮০ ৰান কৰিবলৈহে সক্ষম হয়। দলৰ হৈ লোকেশ বামে ৩৯ ৰান কৰি অপৰাজিত থাকে। নেপালৰ হৈ দীপেন্দ্ৰ সিং এৰিয়ে সৰ্বাধিক ৪৪ আৰু ৰুহিত পাউদেলে ৩৯ ৰান কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেটিং কৰি জেকব বেথেলৰ ৫৫ আৰু হেৰি ব্ৰুকৰ ৫৩ ৰানৰ সহায়েৰে সাত উইকেটৰ বিনিময়ত ১৮৪ ৰান কৰে।

ইয়াৰ পূৰ্বে চেন্নাইত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে।

একেদৰে সন্ধিয়া ৭ বজাত কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব।

০০০০০

ঃঃ সমাপ্ত ঃঃ